জনসংযোগ, অসম

মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ

প্ৰেছ বাৰ্তা

**নং ঃ ৮৩২/২০২০**

বিটিচিৰ নতুন পৰিষদৰ শপত গ্ৰহণ অনুষ্ঠানত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ অংশ গ্ৰহণ

# নতুন পৰিষদখনে শান্তি প্ৰতিষ্ঠা কৰি মাটি, ভেটি, কৃষ্টি, সংস্কৃতি, ভাষা-সাহিত্য, ঐতিহ্য সংৰক্ষণৰ দায়িত্ব নিষ্ঠা সহকাৰে পালন কৰিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ১৫ ডিচেম্বৰ ঃ** আজি কোকৰাঝাৰৰ বডোফানগৰৰ গ্ৰীন ফিল্ডত আয়োজিত শপত গ্ৰহণ অনুষ্ঠানত ইউপিপিএল, বিজেপি আৰু গণ সুৰক্ষা পৰিষদ নেতৃত্বাধীন বিটিচিৰ নতুন পৰিষদখনে শপত গ্ৰহণ কৰে। মুখ্য সচিব জিষ্ণু বৰুৱাই বড়োলেণ্ড আঞ্চলিক পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্যৰূপে আজি প্ৰমোদ বড়োক শপত বাক্য পাঠ কৰোৱায়। ইয়াৰ পিছতে উপ-মুখ্যকাৰ্যবাহী সদস্যৰূপে গোবিন্দ বসুমতাৰী আৰু ৩ জন সদস্য যথাক্ৰমে গৌতম দাস, ঘনশ্যাম দাস আৰু দিগন্ত বৰুৱাক শপত বাক্য পাঠ কৰোৱায়।

শপত গ্ৰহণ অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে প্ৰমোদ বড়ো নেতৃত্বাধীন বিটিচি প্ৰশাসনে অঞ্চলটোৰ আৰ্থ-সামাজিক উন্নয়নৰ দিশত নতুন দিগন্তৰ সূচনা কৰিবলৈ সক্ষম হ'ব। বডোফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এইগৰাকী মহান নেতাই বড়ো জাতিৰ শক্তিশালী পৰিচয় দাঙি ধৰিছে। এইগৰাকী নেতাই সামাজিক, সাংস্কৃতিক, শৈক্ষিক, ৰাজনৈতিক দিশত লোৱা বলিষ্ঠ পদক্ষেপৰ বাবে আজি বড়ো জনগোষ্ঠীয়ে শক্তিশালীভাৱে আগুৱাই আহিবলৈ সক্ষম হৈছে। বিটিআৰ এলেকাত বড়ো জনগোষ্ঠীৰ লগতে অন্যান্য জনগোষ্ঠীৰ লোকসকলে শান্তিপূৰ্ণ আৰু গণতান্ত্ৰিকভাৱে ভোটদান কৰি বিটিচি পাৰিষদ গঠন কৰিলে। ইয়াৰ বাবে তেওঁ জনসাধাৰণক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। আজি মুখ্যকাৰ্যবাহী সদস্য হিচাপে শপত গ্ৰহণ কৰা প্ৰমোদ বড়োৰ কাৰ্যকাল সফল হওঁক বুলি উল্লেখ কৰি মুখ্য মন্ত্ৰীয়ে কয় যে বিটিচিৰ নতুন পৰিষদখনে কোকৰাঝাৰ, চিৰাং, বাক্সা আৰু ওদালগুৰি জিলাৰ সকলো জাতি-জনগোষ্ঠীৰ নিৰাপত্তা নিশ্চিত কৰিব পাৰিব। প্ৰমোদ বড়োৰে সন্ত্ৰাসবাদমুক্ত, দুৰ্নীতিমুক্ত, শান্তি আৰু উন্নয়নৰ বিটিআৰ গঢ়ি তোলাৰ লক্ষ্যৰে আজি শপত গ্ৰহণ কৰিছে। এতিয়া সমন্বয় আৰু ভাতৃত্ববোধৰ বান্ধোনেৰে শক্তিশালী বিটিআৰ গঢ়ি তোলাৰ দিশত সকলোৰে মিলি কাম কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ বাবে বিটিআৰ চুক্তি সম্ভৱ হ'ল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই অঞ্চলটোৰ আমূল পৰিৱৰ্তন সাধন কৰাৰ বাবে এই চুক্তি স্বাক্ষৰিত হৈছে। বিটিআৰ অঞ্চলৰ সামাজিক, সাংস্কৃতিক, ক্ৰীড়া, কৃষিকে ধৰি সকলো ক্ষেত্ৰতে শক্তিশালী ৰূপ দিয়াৰ বাবে প্ৰধানমন্ত্ৰী আৰু কেন্দ্ৰীয় গৃহ মন্ত্ৰীয়ে বিটিআৰ চুক্তি উপহাৰ দিলে বুলি উল্লেখ কৰি এই চুক্তিৰ জৰিয়তে সকলোকে আৰ্থিকভাৱে সৱল কৰা, শিক্ষাৰ জৰিয়তে মানৱ সম্পদ গঢ়াৰ লক্ষ্য লৈ বিশ্ব জয় কৰাৰ লক্ষ্য ল'ব লাগিব বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে একবিংশ শতিকাত অসমক সকলো দিশতে শক্তিশালী ৰূপত আগুৱাই নিয়াৰ বাবে বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰে দৃঢ়তাৰে পদক্ষেপ

গ্ৰহণ কৰি আহিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আত্মনিৰ্ভৰ ভাৰতবৰ্ষ গঢ়াৰ বাবে জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই ৰাজ্য চৰকাৰেও আত্মনিৰ্ভৰ অসম গঢ়াৰ লক্ষ্যৰে কাম কৰি আহিছে। বিটিআৰ এলেকাৰ সকলোৱে আত্মনিৰ্ভৰ হোৱাৰ লক্ষ্যৰে কঠোৰ পৰিশ্ৰম কৰিব লাগিব। বিটিচিৰ নৱনিৰ্বাচিত পৰিষদখনে সকলোকে সন্মান আৰু মৰ্যাদা সহকাৰে জীৱন-যাপনৰ অধিকাৰ প্ৰদানৰ বাবে নিষ্ঠা সহকাৰে কাম কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। বিটিআৰ চুক্তিৰ পিছত প্ৰধানমন্ত্ৰীক অভিনন্দন জনোৱাৰ উদ্দেশ্যৰে কোকৰাঝাৰত আয়োজন কৰা বিশাল সভাখন প্ৰধানমন্ত্ৰীৰ জীৱনত সৰ্ববৃহৎ সভা আছিল বুলি প্ৰধানমন্ত্ৰীয়ে ব্যক্ত কৰাৰ কথা উল্লেখ কৰি সেইদিনাই জনসাধাৰণে এক সুস্পষ্ট দৃষ্টিভংগী দাঙি ধৰিছিল বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে বিটিচিত পৰিৱৰ্তন অনাৰ বাবে জনসাধাৰণে প্ৰধানমন্ত্ৰীৰ হাত শক্তিশালী কৰিছিল। এতিয়া সেই পৰিৱৰ্তনৰ সময় আহি পৰিছে। বিটিচি পৰিষদখনে দায়বদ্ধতা, সততা আৰু নিষ্ঠাৰে এই দিশত কাম কৰিব লাগিব। অঞ্চলটোৰ প্ৰাকৃতিক সম্পদৰ সদ্ব্যৱহাৰ কৰাৰ লগতে শক্তিশালী অৰ্থনৈতিক বুনিয়াদ গঢ় দিয়াৰ বাবেও নতুন পৰিষদখনে নিষ্ঠাৰে কাম কৰিব লাগিব বুলিও তেওঁ কয়।

বিটিচিৰ নতুন পৰিষদখনলৈ সহযোগিতাৰ হাত আগবঢ়াবলৈ জনসাধাৰণলৈ আহ্বান জনাই মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰমোদ বড়োৱে সততা আৰু আন্তৰিকতাৰে কাম কৰিবলৈ আহিছে। ইউ পি পি এল, বিজেপি, গণ সুৰক্ষা পৰিষদকে ধৰি বিপিএফ দলেও এই ক্ষেত্ৰত মিলাপ্ৰীতিৰে কাম কৰিব লাগিব বুলি তেওঁ কয়। বিটিচিৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীকো এই ক্ষেত্ৰত সহযোগিতা আগবঢ়াবলৈ আহ্বান জনাই মুখ্যমন্ত্ৰীয়ে কয় যে সংঘাত নহয়, সমন্বয়ৰ দ্বাৰা চাৰিখন জিলাক শক্তিশালী কৰাৰ উদ্দেশ্যেৰে সকলোৱে মিলি কাম কৰিব লাগিব। সকলোৰে মাজত শান্তি প্ৰতিষ্ঠা কৰি মাটি, ভেটি, কৃষ্টি, সংস্কৃতি, ভাষা-সাহিত্য, ঐতিহ্য সংৰক্ষণৰ দায়িত্ব নিষ্ঠাৰে পালন কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে এতিয়া ভয় আৰু শংকাৰ অৱসান ঘটিল। বিটিআৰৰ চাৰিখন জিলা প্ৰাকৃতিক সম্পদত চহকী, জীৱ বৈচিত্ৰ্যৰ মহাস্থল, সেয়েহে এই অঞ্চলটোক বিশ্বৰ অন্যতম সুন্দৰ অঞ্চল হিচাপে গঢ় দিয়াৰ সম্ভাৱনা আছে। ইয়াক পৰ্যটকৰ আকৰ্ষণৰ স্থলী হিচাপে গঢ় দিব পাৰিলে দেশী-বিদেশী পৰ্যটকসকল এই অঞ্চললৈ আহিব। মুখ্যমন্ত্ৰীয়ে কয় যে অসমক ভাৰতৰ অন্যতম শক্তিশালী ৰাজ্য হিচাপে গঢ় দিয়াৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে কাম কৰি আহিছে। দেশৰ ৫ খন ৰাজ্যৰ ভিতৰত অসমৰ স্থান সুনিশ্চিত কৰিব লাগিলে এই চাৰিখন জিলাৰ জনসাধাৰণে নিজকে স্বাৱলম্বী কৰাৰ লক্ষ্যৰে কাম কৰিব লাগিব। বিটিচিৰ নতুন পৰিষদখনলৈ ৰাজ্য চৰকাৰে সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়াব। এতিয়াৰে পৰা খিলঞ্জীয়া লোকৰ মাটি বেচা-কিনাৰ সমস্যা নাথাকিব। মুখ্যমন্ত্ৰীয়ে কয় যে এনডিএফবিৰ সদস্যসকলে সশস্ত্ৰ সংগ্ৰাম পৰিত্যাগ কৰি অহিংসাৰ নীতিৰে সমাজত প্ৰৱেশ কৰি গণতান্ত্ৰিক ব্যৱস্থাত অংশগ্ৰহণ কৰিছে। আগন্তুক দিনত আত্মসমৰ্পণ কৰা এনডিএফবিৰ সকলো সদস্যকে পুনৰ সংস্থাপিত কৰা হ'ব বুলিও তেওঁ কয়। ইয়াৰ বাবে ৬০ কোটি টকাৰ এক পেকেজ অতি শীঘ্ৰে মুকলি কৰি দিয়া হ'ব বুলি তেওঁ কয়। তেওঁ লগতে কয় যে আদিবাসী, চাওতাল জনগোষ্ঠীৰ সশস্ত্ৰ সংগ্ৰামত বিশ্বাসী যিসকল যুৱকে আত্মসমৰ্পণ কৰিছে তেওঁলোককো সংস্থাপিত কৰা হ'ব।

সভাত ভাষণ প্ৰদান কৰি বিত্ত, স্বাস্থ্য ইত্যাদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে শান্তিয়ে প্ৰগতি আনে আৰু উন্নয়নে নতুন দিগন্তৰ সূচনা কৰে। বিটিআৰ চুক্তিৰ বাবে প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীক

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

ধন্যবাদ জ্ঞাপন কৰি মন্ত্ৰীগৰাকীয়ে কয় যে বিটিআৰ চুক্তিৰ জৰিয়তে অঞ্চলটোৰ জনসাধাৰণৰ আশা-আকাংক্ষা ৰূপায়িত হ'ব। সকলো জাতি-জনগোষ্ঠীৰ সম-মৰ্যাদা আৰু সম-উন্নয়নৰ জৰিয়তে বড়োফাৰ কল্পনাৰ বড়োভূমি গঢ়িব লাগিব বুলিও মন্ত্ৰীগৰাকীয়ে কয়। বড়ো ভাষাক ৰাজ্যিক মৰ্যাদা প্ৰদান, বড়োলেণ্ডৰ বাহিৰত থকা বড়ো জনগোষ্ঠীৰ বাবে বড়ো-কছাৰী স্বায়ত্ত শাসিত পৰিষদ গঠনৰ বাবে ৰাজ্য চৰকাৰে লোৱা পদক্ষেপৰ কথা উল্লেখ কৰি তেওঁ কয় যে বড়ো ভূমিৰ বিদ্যালয়সমূহ প্ৰাদেশীকৰণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে শিথিল নীতি গ্ৰহণ কৰিছে। ভাষণ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে বড়োলেণ্ড এলেকাত নতুন শিক্ষানুষ্ঠান, নতুন ষ্টেডিয়াম, ওদালগুৰিত বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ কেম্পাছ স্থাপন, তামুলপুৰত নতুন মেডিকেল কলেজ স্থাপন, ৪০ টা পৰিষদীয় সমষ্টিত একোখনকৈ মহাবিদ্যালয় আৰু একোখনকৈ ষ্টেডিয়াম নিৰ্মাণ কৰা হ'ব বুলি ঘোষণা কৰে। তেওঁ লগতে কয় যে ২০২১ চনৰ পৰা কোকৰাঝাৰ মেডিকেল কলেজৰ কাম-কাজ আৰম্ভ হ'ব। বিটিআৰ চুক্তিৰ অধীনত প্ৰধানমন্ত্ৰীয়ে ঘোষণা কৰা ১৫ শ কোটি টকা পেকেজৰ ভিতৰত ৭৫০ কোটি টকাৰ বাজেট ইতিমধ্যে প্ৰস্তুত কৰা হৈছে বুলি উল্লেখ কৰি নতুন পৰিষদখনক কাৰ্যভাৰ গ্ৰহণৰ লগে লগে সেই ধন মুকলি কৰি দিয়া হ'ব বুলি তেওঁ ঘোষণা কৰে।

সভাত ভাষণ প্ৰদান কৰি বড়োলেণ্ড আঞ্চলিক পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে ঐতিহাসিক বিটিআৰ চুক্তি স্বাক্ষৰিত কৰাৰ ক্ষেত্ৰত লোৱা ভূমিকাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল, বিত্ত মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰি কয় যে বিটিআৰ অঞ্চলত এতিয়াৰে পৰা ভয় আৰু আতংকৰ দিনৰ সমাপ্তি ঘটিল আৰু শান্তি-প্ৰগতি আৰু ভাতৃত্ববোধৰ এক নতুন যুগৰ আৰম্ভণি হ'ল। হত্যা, হিংসাৰ ফলত বহু বড়ো পৰিয়ালে নিজৰ সদস্য হেৰুৱাব লগীয়া হৈছিল বুলি কৈ এতিয়াৰে পৰা বড়ো ভূমিত শিক্ষা, উন্নয়ন তথা প্ৰগতিৰ ওপৰত অত্যাধিক গুৰুত্ব দিয়া হ'ব বুলি মুখ্য কাৰ্যবাহী সদস্য গৰাকীয়ে প্ৰতিশ্ৰুতি প্ৰদান কৰে। এসময়ত কোকৰাঝাৰ এক ভয়াবহ স্থান হিচাপে যি প্ৰতিচ্ছবি আছিল তাক সলনি কৰি ইয়াত শান্তি আৰু প্ৰগতিৰ ক্ষেত্ৰ হিচাপে গঢ়ি তোলা হ'ব বুলিও তেওঁ দোহাৰে। বিটিআৰ অঞ্চলত থকা ২.৪০ লাখ গৃহহীন পৰিয়ালক গৃহ প্ৰদান কৰা, সকলোবোৰ পৰিয়ালকে বিশুদ্ধ খোৱাপানী যোগান ধৰা, ভিতৰুৱা সকলো অঞ্চলৰ বাট-পথ নিৰ্মাণ কৰি উন্নতিৰ দিশত আগুৱাই লৈ যোৱাটো নতুন পৰিষদখনৰ অন্যতম লক্ষ্য হ'ব বুলিও তেওঁ কয়।

আজিৰ এই শপত গ্ৰহণ অনুষ্ঠানত জলসিঞ্চন বিভাগৰ ৰাজ্যিক মন্ত্ৰী ভৱেশ কলিতা, সাংসদ নব শৰণীয়া, সাংসদ পল্লৱ লোচন দাস, সাংসদ দিলীপ শইকীয়া, হাউছফেডৰ অধ্যক্ষ তথা বিধায়ক ৰঞ্জিত কুমাৰ দাস, কাৰ্বি, ডিমাছা, মিচিং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য সকল, ত্ৰিপুৰাৰ মন্ত্ৰী মেয়ৰ জামাতিয়া, ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ বিশ্বজিত দৈমাৰী প্ৰমুখ্যে নতুন পৰিষদৰ সদস্যসকল আৰু অন্যান্য শীৰ্ষ বিষয়াকে ধৰি গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**স্বাঃডেঃ / পুঃডেঃ**
**১৫/১২/২০২০**